**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-March-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***
——————————————

সমাগত দৌল আৰু ৰঙৰ উৎসৱ ফাকুৱাৰ বাবে ৰাজ্যজুৰি ব্যাপক আয়োজন চলিছে। ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ লগতে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দৌল উৎসৱক কেন্দ্ৰ কৰি উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। সত্ৰনগৰী বৰপেটাত আজিৰেপৰা ৫ দিনীয়াকৈ দৌল মহোৎসৱ উদযাপন কৰা হ'ব। বৰপেটাবাসীৰ প্ৰাণৰ উৎসৱ তথা জনজীৱনৰ আয়ুসৰেখাস্বৰূপ দৌল মহোৎসৱ উপলক্ষে আজি সত্ৰনগৰী বৰপেটাৰ আকাশ-বতাহ হোলী গীতৰ সুৰেৰে মুখৰ হৈ পৰিছে। দৌল মহোৎসৱৰ সৈতে সংগতি ৰাখি কালি বৰপেটা সাংস্কৃতিক মঞ্চই বিশাল সাংস্কৃতিক শোভাযাত্ৰা উলিয়ায়। জিলাখনৰ ৰাখাল থানৰ চৌহদৰ পৰা এই শোভাযাত্ৰা উলিওৱা হয়। বৰপেটা সত্ৰ বুঢ়া সত্ৰীয়া ড° বাবুল চন্দ্ৰ দাসে শোভাযাত্ৰা মুকলি কৰে। শোভাযাত্ৰাৰ পূৰ্বে জিলাখনৰ তিনিগৰাকী লোকক কেইবাটাও বঁটা প্ৰদান কৰা হয়। ইয়াৰে বৰ্ণিল বসন্ত সত্ৰ সৌৰভ বঁটা সত্ৰীয়া শিল্পী বিজয় বায়নক, বৰ্ণিল বসন্ত সংস্কৃতি সাধক বঁটা শিল্পী নকুল দাসক আৰু বৰ্ণিল বসন্ত হোলী প্ৰাণ বঁটা প্ৰদান কৰা হয়।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থানত আজিৰেপৰা পাঁচদিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱৰ আয়োজন কৰা হৈছে। শ্ৰী শ্ৰী বটদ্ৰৱা থান পৰিচালনা সমিতিয়ে দৌল যাত্ৰা উপলক্ষে ১০ লক্ষাধিক তীৰ্থযাত্ৰীক আদৰণি জনোৱাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। আজি প্ৰথম দিনা গন্ধোৎসৱৰ সন্ধিয়া শ্ৰীকৃষ্ণ গোসাঁইক গায়ন-বায়ন আৰু ভক্তিপ্ৰাণ ৰাইজে থানৰ ৰভাতলত স্থাপন কৰিব। কাইলৈ গোসাঁইৰ শিৰত ফাকু দিয়া উৎসৱ, পৰহিলৈ গোসাঁই ফুৰুৱা উৎসৱৰ লগতে প্ৰতিদিনে সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি দৌল পৰিচালনা সমিতিয়ে জানিবলৈ দিয়ে। নগাঁৱৰ ফুলগুৰিৰ শ্ৰীশ্ৰী চেংলাই সত্ৰতো আজিৰেপৰা তিনিদিনীয়াকৈ দৌল উৎসৱ অনুষ্ঠিত হৈছে।

মাজুলীৰ ঐতিহ্যমণ্ডিত বেঙেনাআটি সত্ৰত তিনিদিনীয়া কাৰ্যসূচীৰে আজিৰেপৰা ফল্গুৎসৱৰ আয়োজন কৰা হৈছে।

০০০০০০

ডিব্ৰুগড়ৰ হনুমানবক্স সুৰজমল কানৈ আইন মহাবিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষৰ কালি সামৰণি পৰে। এই উপলক্ষে অনুষ্ঠিত মুকলি সভাত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। শ্ৰী সোণোৱালে প্ৰতিষ্ঠা কালৰে পৰা আইন শিক্ষাৰ প্ৰসাৰৰ দিশত বিশেষ ভূমিকা পালন কৰি অহা মহাবিদ্যালয়খনে মানৱ সম্পদ সৃষ্টিত অৰিহণা যোগাই যাব বুলি আশা প্ৰকাশ কৰে। এই সভাতে এখন স্মৃতি গ্ৰন্থও মুকলি কৰা হয়। অনুষ্ঠানটোত অংশগ্ৰহণ কৰি শ্ৰী সোণোৱালে সাংবাদিকৰ আগত এইদৰে কয়-

*(বাইট ঃ সোণোৱাল)*

০০০০০০

গোলাঘাট জিলাৰ কঁহৰাত কাইলৈ কাজিৰঙা অৰ্কিড উদ্যান মুকলি কৰা হ'ব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু কৃষি, উদ্যান শস্য আদি বিভাগৰ মন্ত্ৰী অতুল বৰা উপস্থিত থাকিব। প্ৰথম পৰ্যায়ত ১৬ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই অৰ্কিড উদ্যানত ৯০০ বিধতকৈও অধিক দেশী-বিদেশী

প্ৰজাতিক অৰ্কিড সংৰক্ষণ কৰা হৈছে। ২০ বিঘা ভূমিত নিৰ্মাণ কৰি উলিওৱা উদ্যানখনৰ ৫০০ খন আসনযুক্ত সাংস্কৃতিক মঞ্চ, পৰ্যটন নিবাস, শিশু উদ্যান, প্ৰশাসনিক ভৱন, থলুৱা খাদ্যৰ ভোজনালয় আদিৰ ব্যৱস্থা আছে।

০০০০০০

শাসকীয় বিজেপিয়ে ৰাজ্যত আৰম্ভ কৰা জন আশীৰ্বাদ যাত্ৰাৰ আজি তৃতীয়দিনা গহপুৰ, বিহপুৰীয়া, ৰঙানদী আৰু নাওবৈচাক সামৰি ল'ব। এই যাত্ৰাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে কালি জাগীৰোডৰ পৰা আৰম্ভ হোৱা দ্বিতীয়দিনৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° শৰ্মাই অংশগ্ৰহণ কৰে। জাগীৰোডত বৃহৎ সংখ্যক লোকৰ অংশগ্ৰহণেৰে ভিন ভিন জাতি জনগোষ্ঠীৰ পৰম্পৰাগত নৃত্য-গীতেৰে এই কাৰ্যসূচী অনুষ্ঠিত হয়। জাগীৰোডৰ পৰা মুখ্যমন্ত্ৰীগৰাকী বৃহৎ মটৰ চাইকেল সমদলেৰে মৰিগাঁৱৰ দিশে অগ্ৰসৰ হয়। বাৰপূজীয়া, ৰহা, নগাঁও আৰু পুৰণিগুদামত উপস্থিত হোৱাৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে বঢ়মপুৰত  জন আশীৰ্বাদ যাত্ৰাৰ কালিৰ দিনটোৰ কাৰ্যসূচীৰ অন্ত পেলায়।

ইপিনে, অসম প্ৰদেশ কংগ্ৰেছেও নাহৰকটীয়াত কালি সময় পৰিৱৰ্তন যাত্ৰা কাৰ্যসূচী অনুষ্ঠিত কৰে। এই কাৰ্যসূচীত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈ, বিধায়ক দেৱব্ৰত শইকীয়াৰ লগতে বহু কেইগৰাকী জ্যেষ্ঠ কংগ্ৰেছী নেতাই অংশগ্ৰহণ কৰে।

০০০০০০

ডিব্ৰুগড়ৰ ঐতিহ্য মণ্ডিত জ্ঞানদায়িনী মন্দিৰ প্ৰাংগণত কালি সমূহীয়া উপনয়ন সম্পন্ন হয়। আৰ্থিকভাৱে অভাৱগ্ৰস্ত আৰু বিভিন্ন কাৰণত নিজা বাসগৃহত এই অনুষ্ঠান আয়োজন কৰিবলৈ অসমৰ্থ ১৬ জন যুৱকৰ ৰাইজৰ সহযোগত উপনয়ন সম্পন্ন কৰা হয়। এই যুৱক কেইজনক পৰৱৰ্তী তিনিদিন জ্ঞানদায়িনী মন্দিৰতে অভিজ্ঞ পুৰোহিতৰ দ্বাৰা ধৰ্মীয় নীতি-নিয়ম শিকোৱা হ'ব।

০০০০০০

অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত কালি ৰাজ্যজুৰি ২০২৬ বৰ্ষৰ প্ৰজ্ঞান প্ৰতিভা সন্ধানী পৰীক্ষা অনুষ্ঠিত হয়। চতুৰ্থ আৰু পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত এই পৰীক্ষাত মৰিগাঁৱৰ মায়ং, কপিলী, লাহৰীঘাট আৰু ভূৰবন্ধা খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ অন্তৰ্গত বিভিন্ন বিদ্যালয়ৰ দুহেজাৰ ১৫৯ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰধান সম্পাদক ৰাতুল চন্দ্ৰ গোস্বামীয়ে মায়ং আৰু মনহা পৰীক্ষা কেন্দ্ৰ পৰ্যবেক্ষণ কৰাৰ লগতে অভিভাৱকসকলৰ সৈতে মত-বিনিময় কৰে।

০০০০০০

**সমাপ্ত**